শ্ৰমিক-কৰ্মচাৰীক প্ৰাপ্য মজুৰিৰ পৰা বঞ্চনা প্ৰাগব’ছিমিৰ মালিক পক্ষৰ

শোষণ-লুণ্ঠনৰ বিৰুদ্ধে ছিপাঝাৰত উত্তাল প্ৰতিবাদ

প্ৰতিদিন সেৱা, ছিপাঝাৰ, ২৭ মে’ ঃ দীৰ্ঘদিনে দৰমহাৰ পৰা বঞ্চিত হৈ নাজল-নাথল অৱস্থাৰ সৃষ্টি হোৱা ছিপাঝাৰ প্ৰাগব’ছিমি ছিন্থেটিক লিমিটেডৰ শ্ৰমিক-কৰ্মচাৰীসকলে বিভিন্ন সময়ত আন্দোলন কৰি অহাৰ পৰিপ্ৰেক্ষিতত স্থানীয় বিধায়ক বিনন্দ কুমাৰ শইকীয়াৰ তৎপৰতাত অসম চৰকাৰে বিগত বৰ্ষৰ ফেব্ৰুৱাৰী মাহতে ৬৫ কোটি টকা মোকলাই দিয়ে যদিও ইয়াৰ অনা-অসমীয়া মালিকপক্ষই বৰ্তমানেও উদ্যোগটো সম্পূৰ্ণ কাৰ্যক্ষম কৰি নোতোলাৰ লগতে শ্ৰমিক-কৰ্মচাৰীসকলৰ প্ৰাপ্য দৰমহাও আদায় দিয়া নাই। অসম চৰকাৰে ৬৫ কোটি টকা মোকলাই দিয়াৰ পিচতো মালিকপক্ষই উদ্যোগটো সম্পূৰ্ণ কাৰ্যক্ষম কৰি তোলাৰ ক্ষেত্ৰত হেমাহি প্ৰদৰ্শন কৰাৰ লগতে অসম চৰকাৰৰ দ্বাৰা নিৰ্ধাৰিত ন্যূনতম মজুৰিও আদায় নিদিয়াৰ প্ৰতিবাদত ইয়াৰ শ্ৰমিক-কৰ্মচাৰীসকলে আজি উদ্যোগটোৰ সন্মুখত অৱস্থান ধৰ্মঘট কাৰ্যসূচী ৰূপায়ণ কৰে। উদ্যোগটোৰ শ্ৰমিক-কৰ্মচাৰীসকলে হেমন্ত ব্যাসৰ শোষণ-লুণ্ঠনৰ বিৰুদ্ধে বিভিন্ন শ্ল’গান ধ্বনিৰে পৰিৱেশ উত্তাল কৰি তোলে। এইক্ষেত্ৰত উত্থাপিত অভিযোগমতে বিগত দিনতো ইয়াৰ পৰিচালন সঞ্চালক হেমন্ত ব্যাসে বিভিন্ন বেংকৰ পৰা ৰাজসাহায্যযুক্ত কোটি কোটি টকা ঋণ লোৱাৰ লগতে অসম চৰকাৰৰ পৰা ধন লাভ কৰাৰ পিচতো উদ্যোগটো সম্পূৰ্ণ কাৰ্যক্ষম নকৰাৰ উপৰি শ্ৰমিক-কৰ্মচাৰীসকলক প্ৰাপ্য মজুৰিৰ পৰা বঞ্চিত কৰি আহিছে। উল্লেখযোগ্য যে নিবনুৱা সমস্যা সমাধানৰ বাবে ছিপাঝাৰৰ বিজুলীবাৰীত ২৯৯ বিঘা ১ লেচা কৃষিভূমি অধিগ্ৰহণ কৰি ৩২৭ কোটি টকাৰে প্ৰাগব’ছিমি ছিন্থেটিক লিমিটেড নামৰ উত্তৰ-পূৰ্বাঞ্চলৰ ভিতৰতে সৰ্ববৃহৎ পলিয়েষ্টাৰ উদ্যোগটো ১৯৮৯ চনতে প্ৰতিষ্ঠা কৰা হৈছিল। অসম চৰকাৰৰ ২৬ শতাংশ, ৰাজহুৱা ৪৯ শতাংশ আৰু প্ৰাগব’ছিমিৰ ২৫ শতাংশৰে যৌথ প্ৰচেষ্টাত প্ৰতিষ্ঠা হোৱা উদ্যোগটোৰ উৎপাদন কাৰ্য আৰম্ভ হৈছিল ১৯৯৪ চনত। আৰম্ভণিতে প্ৰায় এহেজাৰ নিবনুৱা শ্ৰমিক কৰ্মচাৰী হিচাপে নিয়োজিত হোৱা উদ্যোগটোৰ উৎপাদন কাৰ্য ঠিকে-ঠাকে চলি আছিল যদিও পৰৱৰ্তী

■ ১৪ পৃষ্ঠাত

বাক্সাত অস্ত্ৰসহ ছয় চোৰাং চিকাৰীৰ আত্মসমৰ্পণ

প্ৰতিদিন সেৱা, মুছলপুৰ, ২৭ মে’ ঃ বাক্সা জিলাৰ মানাহ ৰাষ্ট্ৰীয় উদ্যানত সেনা-আৰক্ষীয়ে কেইবাটাও চোৰাং চিকাৰীক আটক কৰাৰ সময়তে আজি শিমলা আৰক্ষী থানাত ছটা চোৰাং চিকাৰীয়ে অস্ত্ৰ-শস্ত্ৰসহ আত্মসমৰ্পণ কৰে। আত্মসমৰ্পণ কৰা চোৰাং চিকাৰীকেইটা হ’ল টপেচ নাৰ্জাৰী, হৃদয় বসুমতাৰী, বাবুল বসুমতাৰী, ফাগুনা বড়ো, প্ৰাণজিৎ মুছাহাৰী আৰু লাড্ৰুছ। আত্মসমৰ্পণৰ সময়ত চোৰাং চিকাৰীকেইটাই তিনিটা হস্তনিৰ্মিত বন্দুকো জমা দিয়ে। মানাহ ৰাষ্ট্ৰীয় উদ্যান আৰু দাঁতিকাষৰীয়া অঞ্চলত চোৰাং চিকাৰত লিপ্ত থকাৰ কথা তেওঁলোকে প্ৰকাশ কৰে।

প্ৰধানমন্ত্ৰীৰ সভা সফল

ৰাইজক কৃতজ্ঞতা সভাপতি ৰঞ্জিত দাসৰ

প্ৰতিদিন সংবাদ, গুৱাহাটী, ২৭ মে’ ঃ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীৰ কালিৰ অসম ভ্ৰমণ তথা জনসভা সফল কৰি তোলাৰ বাবে ৰাইজক কৃতজ্ঞতা জ্ঞাপন কৰিছে বিজেপিৰ ৰাজ্যিক সভাপতি ৰঞ্জিত কুমাৰ দাসে। এটা বিবৃতিত দাসে কয়— ‘অসমৰ জাতীয় জীৱনত নতুন ইতিহাস মুকলি কৰি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে কালি শদিয়া-ধলা সংযোগকাৰী ড° ভূপেন হাজৰিকা সেতু দেশবাসীৰ বাবে মুকলি কৰি সম্বোধন কৰা জনসভা, গোগামুখত ভাৰতীয় কৃষি গৱেষণা

■ ১৪ পৃষ্ঠাত

যোৰহাটৰ আনটাইড কাণ্ড কেলেংকাৰীৰ নিতৌ নতুন তথ্য উন্মোচন

ঢেঁকীয়াখোৱা বৰনামঘৰৰ প্ৰেক্ষাগৃহ নিৰ্মাণৰ নামতো ৫০ লাখ টকা আত্মসাৎ

প্ৰতিদিন বিশেষ সংবাদ, যোৰহাট, ২৭ মে’ ঃ মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে প্ৰায় পাঁচশ বছৰৰ পূৰ্বে যোৰহাটত স্থাপন কৰা ঐতিহ্যমণ্ডিত ঢেঁকীয়াখোৱা বৰনামঘৰৰ নামতো বৰ্তমান ৰঙাঘৰৰ ভাত খাবলগা হোৱা প্ৰাক্তন অতিৰিক্ত উপায়ুক্ত তথা যুটীয়া ৰাজহ সচিব বুবুল লেখাৰুৰ কাৰ্যকালত আনটাইড ফাণ্ডৰ পৰা আত্মসাৎ কৰা হৈছিল ৫০ লাখকৈ টকা। এই বৃহৎ পৰিমাণৰ ধন হজম কৰা হৈছিল ঢেঁকীয়াখোৱা বৰনামঘৰৰ এটা প্ৰেক্ষাগৃহ নিৰ্মাণৰ নামত। শেহতীয়াকৈ যোৰহাটৰ আৰক্ষীৰ তদন্তত পোহৰলৈ আহিছে এই তথ্য। কিন্তু আজিপৰ্যন্ত ইয়াৰ একো ভু-কে পোৱা নাছিল ঢেঁকীয়াখোৱা বৰনামঘৰে। আজি এই কথা জনাইছে ঢেঁকীয়াখোৱা বৰনামঘৰ পৰিচালনা সমিতিৰ সভাপতি প্ৰবীণ কলিতাই। কালি আনটাইড ফাণ্ড কেলেংকাৰীৰ তদন্ত চলাই থকা আৰক্ষীৰ এটা দল অনুসন্ধানৰ বাবে যোৱাৰ পাচতহে ঢেঁকীয়াখোৱা বৰনামঘৰে জানিব পাৰে এই ভয়ংকৰ ঘটনা। এটা সূত্ৰৰ মতে ২০১৩-১৪ বৰ্ষত ঢেঁকীয়াখোৱা বৰনামঘৰৰ এটা প্ৰেক্ষাগৃহ নিৰ্মাণৰ নামত ৫০ লাখ টকা আনটাইড ফাণ্ডৰ পৰা মঞ্জুৰ কৰা হৈছিল। কিন্তু কুটা এগছো কাম নকৰাকৈ লুটি নিয়া হৈছিল এই বৃহৎ পৰিমাণৰ ধন। ইয়াৰ পাচতো ২০১৫-১৬ বৰ্ষতো ঢেঁকীয়াখোৱা বৰনামঘৰৰ নামত আনটাইড ফাণ্ডৰ পৰা মঞ্জুৰ কৰা হৈছিল পুনৰ ২৫ লাখ টকা। কিন্তু এই ধনো সৰকাই নিয়া বুলি সন্দেহ কৰা হৈছে। উল্লেখযোগ্য যে কংগ্ৰেছৰ আমোলত ২০১৩ চনৰ পৰা ২০১৬ চনপৰ্যন্ত মুঠ ৫৯ খন বিভিন্ন আঁচনিৰে ভুৱা অনুষ্ঠান-প্ৰতিষ্ঠানৰ নামত ঘৰ-দুৱাৰ আদি নিৰ্মাণৰ অচিলাৰে প্ৰায় ৪০ কোটি টকা আনটাইড ফাণ্ডৰ পৰা লুটি নিয়া হৈছিল। এই ভয়াৱহ

■ ১৪ পৃষ্ঠাত

■ চামগুৰিত বন ধ্বংস প্ৰত্যক্ষ কৰিছে বন মন্ত্ৰী প্ৰমীলাৰাণী ব্ৰহ্মই

শিলচৰৰ নিৰ্মাণ সংস্থাৰ কৰ্মচাৰী ন মাহে নিৰুদ্দেশ

পত্নীৰ অভিযোগৰ ভিত্তিত প্ৰধানমন্ত্ৰীৰ কাৰ্যালয়ৰ কাছাৰ আৰক্ষীক তদন্তৰ নিৰ্দেশ

প্ৰতিদিন সংবাদ, শিলচৰ, ২৭ মে’ ঃ যোৱা ৯ মাহ ধৰি নিখোজ হৈ থকা শিলচৰৰ ‘গৌতম কনষ্ট্ৰাকচন’ নামৰ নিৰ্মাণ সংস্থাটোৰ কৰ্মচাৰী সমৰ দাস (৩৫) সন্দৰ্ভত যাৱতীয় তদন্তৰ ব্যৱস্থা ল’বলৈ কাছাৰ জিলাৰ আৰক্ষী অধীক্ষকক নিৰ্দেশ দিছে প্ৰধানমন্ত্ৰীৰ দপ্তৰে। এইক্ষেত্ৰত সমৰ দাসৰ পত্নী জয়শ্ৰী দাসৰ লগতো প্ৰধানমন্ত্ৰীৰ দপ্তৰে ফোনযোগে যোগাযোগ কৰি ঘটনাৰ বিস্তাৰিত তথ্য সংগ্ৰহ কৰাই নহয়, তেওঁক আৰক্ষী অধীক্ষকগৰাকীক দেখা কৰাৰ বাবেও কোৱা হয়। উল্লেখ্য যে কালি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডী অসম ভ্ৰমণত থকাৰ সময়তে প্ৰধানমন্ত্ৰীৰ দপ্তৰে শিলচৰৰ নিখোজ কৰ্মচাৰীজনৰ ক্ষেত্ৰত এনেদৰে হস্তক্ষেপ কৰে। মন কৰিবলগীয়া যে যোৱা ৯ মাহ ধৰি কাছাৰ জিলা আৰক্ষীয়ে সমগ্ৰ ঘটনাটো গাপ দি ৰাখিবলৈ চেষ্টা চলোৱাৰ পিচত কালি প্ৰধানমন্ত্ৰী দপ্তৰৰ হস্তক্ষেপতহে আৰক্ষীয়ে তদন্ত প্ৰক্ৰিয়া হাতত ল’বলৈ আগবাঢ়িছে। কাছাৰ জিলা আৰক্ষী অধীক্ষক ৰাকেশ ৰোছনে উপ-আৰক্ষী অধীক্ষক সুধাংশু দাসক তদন্তৰ দায়িত্ব দিছে। প্ৰধানমন্ত্ৰী দপ্তৰৰ নিৰ্দেশমৰ্মেই

■ ১৪ পৃষ্ঠাত

গোলাঘাট কাৰাগাৰত অঘটন

হাজোতীৰ পেটত সোমাল আলপিন

প্ৰতিদিন সেৱা, গোলাঘাট, ২৭ মে’ ঃ গোলাঘাট জিলা কাৰাগাৰত আজি এজন হাজোতীৰ পেটত এটা আলপিন সোমায়। ইয়াকে কেন্দ্ৰ কৰি কাৰাগাৰত ব্যাপক চাঞ্চল্যৰ সৃষ্টি হয়। ঘটনাৰ বিৱৰণীত প্ৰকাশ যে আৰমান হক নামৰ হাজোতীজনে পুৱা বিছনাৰ আঁঠুৱাত থকা পিনটো মুখেৰে কামুৰি টানি আনোতে পেটলৈ গুচি যায়। ইয়াৰ পিচতে কাৰাগাৰখনত হাহাকাৰৰ সৃষ্টি হয়। ততাতৈয়াকৈ কাৰাগাৰ কৰ্তৃপক্ষই গোলাঘাট ছহিদ কুশল কোঁৱৰ অসামৰিক চিকিৎসালয়ত আৰমান হকক ভৰ্তি কৰে। ইপিনে হাজোতীৰ আৰমানৰ পিন উলিওৱাৰ সলনি ভয়ত চিঞৰ-বাখৰ কৰা আৰমানকহে ওলোটাই ঔকিল শোধায় দায়িত্বৰত আৰক্ষীয়ে। এই লৈ চিকিৎসালয়খনৰ চৌহদতো এক হুলস্থূলীয়া পৰিৱেশৰ সৃষ্টি হয়।

চাঞ্চল্যকৰ ৰেখা দত্তৰ ধৰ্ষণ-হত্যাৰ গোচৰ

যাৱজ্জীৱন কাৰাদণ্ডৰে দণ্ডিত চাৰিজনক দোষমুক্ত ছুপ্ৰিম ক’ৰ্টৰ

প্ৰতিদিন বিশেষ সংবাদ, যোৰহাট, ২৭ মে’ ঃ যোৰহাটৰ চাঞ্চল্যকৰ ৰেখা দত্তৰ ধৰ্ষণ আৰু হত্যাকাণ্ডৰ গোচৰত অভিযুক্ত হৈ যাৱজ্জীৱন কাৰাদণ্ডৰ নিৰ্দেশ লাভ কৰা অঞ্জন কুমাৰ শৰ্মা, অখিল বৰদলৈ, ধ্ৰুৱজ্যোতি ভূএল্ঞা আৰু ফটিক দত্ত নামৰ চাৰিজন লোকক দুদিন পূৰ্বে দোষমুক্ত ঘোষণা কৰিছে সৰ্বোচ্চ ন্যায়ালয়ে। গুৱাহাটী উচ্চ ন্যায়ালয়ে দিয়া যাৱজ্জীৱন কাৰাদণ্ডৰ সন্মুখীন হৈ তেওঁলোকে যোৱা চাৰি বছৰ ধৰি যোৰহাট জিলা কাৰাগাৰত বন্দী হৈ আছিল। অৱশেষত সৰ্বোচ্চ ন্যায়ালয়ে দোষমুক্ত কৰাৰ ফলত মুক্ত আকাশৰ তললৈ ওলাই আহিছে যাৱজ্জীৱন কাৰাদণ্ড লাভ কৰা এই চাৰিওজন লোক। উল্লেখ্য যে আঢ়ৈ দশক পূৰ্বে অৰ্থাৎ ১৯৯২ চনৰ ২৭ ডিচেম্বৰৰ নিশা যোৰহাটৰ গটঙা চাহ বাগিচাৰ এটা কোৱাৰ্টাৰত ৰেখা দত্ত নামৰ এগৰাকী যুৱতীক দলবদ্ধভাৱে ধৰ্ষণ কৰি হত্যা কৰাৰ পাচত তেওঁৰ মৃতদেহটো টুকুৰা টুকুৰকৈ কাটি বস্তাত ভৰাই ৰে’ল লাইনত

■ ১৪ পৃষ্ঠাত

চিপ্ৰা দে’ৰ হত্যাকাণ্ড ঃ গুৱাহাটী হাইক’ৰ্টৰ ৰায়

স্বামী, ভাতৃক যাৱজ্জীৱন কাৰাদণ্ড

প্ৰতিদিন সংবাদ, গুৱাহাটী, ২৭ মে’ ঃ বিচৰা ধন নাপাই পত্নীক শাৰীৰিক-মানসিক নিৰ্যাতনেই নহয়, জ্বলাই দি হত্যা কৰা এক ঘটনাত দুই অপৰাধীক নিম্ন আদালতে প্ৰদান কৰা যাৱজ্জীৱন কাৰাদণ্ডৰ ৰায় বাহাল ৰাখিলে গুৱাহাটী উচ্চ ন্যায়ালয়ে। নিম্ন আদালতৰ যাৱজ্জীৱন কাৰাদণ্ডৰ ৰায়ক প্ৰত্যাহ্বান জনাই উচ্চ ন্যায়ালয়ত চূড়ান্তভাৱে মুখথেকেচা খাবলগা হয় গুৱাহাটী মহানগৰীৰ জালুকবাৰীৰ পত্নীহন্তা স্বামী শ্যামলেন্দু দেৱ আৰু তেওঁৰ জ্যেষ্ঠ ভাতৃ চন্দ্ৰশেখৰ দেৱ। ফলত পত্নী চিপ্ৰা দে’ক হত্যা কৰা স্বামী শ্যামলেন্দু দেৱ আৰু তেওঁৰ জ্যেষ্ঠ ভাতৃ চন্দ্ৰশেখৰ দেৱে যাৱজ্জীৱন কাৰাদণ্ডৰ সন্মুখীন হোৱাটো নিশ্চিত হৈ পৰিল। উল্লেখ্য যে ২০০৬ চনৰ ২০ মাৰ্চত অতি ৰহস্যজনক

■ ১৪ পৃষ্ঠাত

কেন্দ্ৰীয় চৰকাৰৰ সিদ্ধান্তত ক্ষুব্ধ ব্যৱসায়ী

৩০ মে’ত ৰাজ্যত বন্ধ থাকিব ফাৰ্মাচী

গুৱাহাটী, ২৭ মে’ ঃ ঔষধৰ ব্যৱসায়ত বছৰৰ পিচত বছৰ ধৰি জড়িত হৈ অহাসকলৰ ক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰে শেহতীয়াকৈ প্ৰযোজ্য কৰিবলৈ লোৱা কেতবোৰ সিদ্ধান্তত ক্ষুব্ধ হৈ পৰিছে অল ইণ্ডিয়া অৰ্গেনাইজেচন অৱ্ কেমিষ্ট এণ্ড ড্ৰাগিষ্ট (এ আই অ’ চি ডি)। চৰকাৰখনে অনলাইনযোগে ঔষধৰ কিনা-বেচা গ্ৰহণযোগ্য কৰিবলৈ লোৱা বিষয়টো কোনো কাৰণতে যুক্তিসংগত নহয় বুলি সৰ্বভাৰতীয় সংগঠনটোৱে এক প্ৰেছ বিবৃতিযোগে প্ৰকাশ কৰিছে। উক্ত বিবৃতিটোত অনলাইনযোগে ঔষধৰ কিনা-বেচা আৰম্ভ হ’লে বহু সময়ত ৰোগীসকল নানা দুৰ্যোগৰ সন্মুখীন হোৱাৰ সম্ভাৱনা অধিক বুলি উল্লেখ কৰা হৈছে। আকৌ ঔষধ ক্ৰয়-বিক্ৰয়ৰ ক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰে সংযোজন কৰিবলৈ লোৱা ‘ই-প’ৰ্টেল’ এপৰ’ তীব্ৰ বিৰোধিতা কৰিছে উক্ত সংগঠনটোৱে। চৰকাৰখনৰ এনে নীতি দেশত প্ৰযোজ্য হ’লে ঔষধ

■ ১৪ পৃষ্ঠাত

আজি ৰাজ্যজুৰি বিজেপিৰ বুথ কমিটীৰ সভা

প্ৰতিদিন বিশেষ সংবাদ, বহৰি, ২৭ মে’ ঃ বিজেপিৰ কেন্দ্ৰীয় নেতৃত্বৰ নিৰ্দেশমৰ্মে কাইলৈ ৰাজ্যৰ বিভিন্ন প্ৰান্তত থকা দলটোৰ ১৯ হেজাৰ বুথ কমিটীৰ সভা একে সময়তে অনুষ্ঠিত হ’ব। আজি বৰপেটাত এই কথা সদৰী কৰে বিজেপিৰ ৰাজ্যিক সভাপতি ৰঞ্জিত কুমাৰ দাসে। উল্লেখ্য যে ৰাজ্যখনত থকা বিজেপিৰ ২৬ হেজাৰ বুথৰ ভিতৰত ইতিমধ্যে দলটোৱে ১৯ হেজাৰ বুথ কমিটী গঠন কৰিছে। ৰাষ্ট্ৰীয় নেতৃত্বৰ নিৰ্দেশনা অনুসৰি কাইলৈ এই ১৯ হেজাৰ বুথ কমিটীত সভা অনুষ্ঠিত কৰি দলটোৱে সাংগঠনিক ভেটি টনকিয়াল কৰাৰ চেষ্টা চলাব। কাইলৈ পুৱা দহ বজাৰ পৰা এঘাৰ বজালৈ সভা অনুষ্ঠিত কৰিব দলটোৱে। তাৰ পিচতেই এঘাৰ বজাৰ পৰা এঘণ্টাজুৰি অনাতাঁৰযোগে সম্প্ৰচাৰ হোৱা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীৰ মন কী বাত অনুষ্ঠান শুনিব বিজেপি কৰ্মীসকলে। কাইলৈ ৰাজ্যজুৰি অনুষ্ঠিতব্য বুথ কমিটীৰ সভাত বিজেপিৰ ৰাজ্যিক সমিতিৰ প্ৰতিগৰাকী নেতাই অংশগ্ৰহণ কৰিব। ৰাজ্যিক বিজেপিৰ সভাপতি ৰঞ্জিত কুমাৰ দাসে সৰভোগ সমষ্টিত বুথ কমিটীৰ সভাত অংশগ্ৰহণ কৰিব।

জনজাতি সমন্বয়ৰক্ষী সমিতিৰ সিদ্ধান্তক বিৰোধিতা চুতীয়া ছাত্ৰৰ

জনজাতিকৰণ ছয় জনগোষ্ঠীৰ সাংবিধানিক প্ৰাপ্য অধিকাৰ

প্ৰতিদিন সেৱা, উজনি মাজুলী, ২৭ মে’ ঃ নতুন দিল্লীত ২৬ মে’ত অনুষ্ঠিত অসমৰ জনজাতি সংগঠনসমূহৰ আলোচনাচক্ৰত ছয় জনগোষ্ঠীৰ জনজাতিকৰণ সন্দৰ্ভত ৰাজ্য আৰু কেন্দ্ৰীয় চৰকাৰৰ প্ৰস্তাৱক জনজাতি সমন্বয়ৰক্ষী সমিতিয়ে বিৰোধিতা কৰাৰ যি সিদ্ধান্ত গ্ৰহণ কৰিছে সেয়া ভিত্তিহীন বুলি আখ্যা দিছে চুতীয়া ছাত্ৰ সন্থাই। সদৌ অসম চুতীয়া ছাত্ৰ সন্থাৰ সভাপতি জ্যোতিপ্ৰসাদ চুতীয়া আৰু সাধাৰণ সম্পাদক বিপুল চুতীয়াই এক বিবৃতিত কয়— সমন্বয়ৰক্ষী সমিতিয়ে কোনোধৰণৰ ক্ষেত্ৰভিত্তিক অধ্যয়ন নোহোৱাকৈ বাৰে বাৰে জনগোষ্ঠীকেইটাক বৃহৎ আৰু উন্নত জনগোষ্ঠী বুলি উত্থাপন কৰাটো অতি হাস্যকৰ।। জনজাতিকৰণ ছয় জনগোষ্ঠীৰ জন্মগত অধিকাৰ। এই অধিকাৰৰ পৰা কোনোবাই বঞ্চিত অথবা বিৰোধিতা কৰিব বিচাৰিলে চুতীয়া জনগোষ্ঠী যিকোনো

■ ১৪ পৃষ্ঠাত

ঢালিগাঁৱত সাহিত্যৰত্ন অৰুণ কুমাৰ ৰায়ৰ স্মৃতি দিৱস পালন

কমতা শিৰোমণি উন্মোচন

প্ৰতিদিন বিশেষ সেৱা, বঙাইগাঁও, ২৭ মে’ ঃ কোচ ৰাজবংশী জাতীয় সাংস্কৃতিক প্ৰকল্প আৰু বঙাইগাঁও জিলা কোচ ৰাজবংশী সাহিত্য সভাৰ উদ্যোগত আজি ঢালিগাঁও শাখা সাহিত্য সভা ভৱনত কোচ ৰাজবংশী সাহিত্য সভাৰ প্ৰতিষ্ঠাপক সভাপতি, সাহিত্যৰত্ন অৰুণ কুমাৰ ৰায়ৰ প্ৰথম বাৰ্ষিক স্মৃতি দিৱস পালন কৰাৰ লগতে কোচ ৰাজবংশী সাহিত্য সভাৰ অধিৱেশন অনুষ্ঠিত হয়। কাৰ্যসূচী অনুসৰি পুৱা কোচ ৰাজবংশী জাতীয় সাংস্কৃতিক প্ৰকল্পৰ পতাকা উত্তোলন কৰে সাংস্কৃতিক প্ৰকল্পৰ সভাপতি সত্য নাৰায়ণ ৰায়ে। ইয়াৰ লগতে কোচ ৰাজবংশী সাহিত্য সভাৰ পতাকা উত্তোলন কৰে বঙাইগাঁও জিলা কোচ ৰাজবংশী সাহিত্য সভাৰ সভাপতি হিতেশ ৰায়ে। অভ্যৰ্থনা সমিতিৰ সভাপতি শৈলেন ৰায়ে ছহিদ তৰ্পণ কৰাৰ পিচতে জ্যেষ্ঠ নাগৰিক দিলীপ কুমাৰ চৌধুৰী আৰু ঢালিগাঁও মহিলা সমিতিৰ সভানেত্ৰী নিভা ৰায়ে গছপুলি ৰোপণ কৰে। দিনৰ এঘাৰ বজাত অৰুণ কুমাৰ ৰায়ৰ প্ৰতিচ্ছবিত মাল্যাৰ্পণ আৰু বন্তি প্ৰজ্বলন কৰি প্ৰয়াত সাহিত্যিকগৰাকীলৈ পত্নী ৰেৱতী বালা ৰায় আৰু জ্যেষ্ঠ পুত্ৰ খনীন্দ্ৰ কুমাৰ ৰায়ে

■ ১৪ পৃষ্ঠাত

বঙাইগাঁৱত কংগ্ৰেছৰ সভা

অশোক কাগজ কল পুনৰ কাৰ্যক্ষম কৰাত ব্যৰ্থ চৰকাৰ

প্ৰতিদিন বিশেষ সেৱা, বঙাইগাঁও, ২৭ মে’ ঃ বঙাইগাঁৱৰ ৰাজীৱ ভৱনত আজি ভাৰতৰ প্ৰাক্তন প্ৰধানমন্ত্ৰী পণ্ডিত জৱাহৰলাল নেহৰুৰ মৃত্যু দিৱসৰ লগত সংগতি ৰাখি জিলা কংগ্ৰেছৰ এখন কৰ্মী সভা অনুষ্ঠিত হয়। জিলা কংগ্ৰেছৰ সভাপতি শংকৰ প্ৰসাদ ৰায়ৰ সভাপতিত্বত অনুষ্ঠিত উক্ত কৰ্মী সভাত অসম প্ৰদেশ কংগ্ৰেছ কমিটীৰ সাধাৰণ সম্পাদক, প্ৰাক্তন মন্ত্ৰী তথা বঙাইগাঁও জিলাৰ নৱনিযুক্ত তত্ত্বাৱধায়ক মহিবুল হক, উত্তৰ অভয়াপুৰী সমষ্টিৰ বিধায়ক আব্দুল হাইনাগৰী, অসম প্ৰদেশ কংগ্ৰেছ কমিটীৰ সম্পাদকত্ৰয় অনুৰূপা হান্নান, ধীৰাজ দেউৰী আৰু অমৃত বাদশ্বাহৰ লগতে শতাধিক কংগ্ৰেছ কৰ্মী উপস্থিত থাকে। সভাত ভাষণ দি প্ৰাক্তন মন্ত্ৰী মহিবুল হকে বিজেপি চৰকাৰক সমালোচনা কৰি কয় যে নিৰ্বাচনৰ পূৰ্বে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে

■ ১৪ পৃষ্ঠাত

সংখ্যালঘু উন্নয়ন পৰিষদৰ অধ্যক্ষ মুমিনুল আৱালৰ সংবাদমেল

সংখ্যালঘুৰ উন্নয়নৰ নামত পূৰ্বৰ দুৰ্নীতিৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা ল’ব চৰকাৰে

অসম সংখ্যালঘু উন্নয়ন বৰ্ড
ASSAM MINORITIES DEVELOPMENT BOARD
২৭ মে’, ২০

প্ৰতিদিন সংবাদ, গুৱাহাটী, ২৭ মে’ ঃ পূৰ্বৰ কংগ্ৰেছ চৰকাৰৰ আমোলত সংখ্যালঘু ৰাইজৰ উন্নয়নৰ নামত বিয়াগোম কেলেংকাৰী সংঘটিত হোৱা বুলি অভিযোগ কৰিছে অসম সংখ্যালঘু উন্নয়ন পৰিষদৰ অধ্যক্ষ মুমিনুল আৱালে। গুৱাহাটীত অনুষ্ঠিত এখন সংবাদমেলত আজি পৰিষদৰ অধ্যক্ষগৰাকীয়ে কয়, ‘পূৰ্বৰ চৰকাৰৰ কাৰ্যকালত সংখ্যালঘু উন্নয়নৰ নামত ভয়াৱহ দুৰ্নীতি-অনিয়ম সংঘটিত হোৱাৰ অভিযোগ উত্থাপিত হৈছে। আমি তেনে দুৰ্নীতিৰ তদন্ত বিচাৰিছো আৰু চৰকাৰে ইয়াৰ বিৰুদ্ধে কঠোৰ পদক্ষেপ ল’বলৈ অগ্ৰসৰ হৈছে।’ সংখ্যালঘু লোকৰ মাজত সামগ্ৰী বিতৰণ কৰিলেই উন্নয়ন সাধন নহয় বুলি দোহাৰি আৱালে কয়— ‘আমাৰ চিন্তা-চৰ্চা সলনি কৰিব লাগিব। যোগাযোগ, শিক্ষা, স্বাস্থ্য আদি সকলো ক্ষেত্ৰতে সংখ্যালঘু ৰাইজৰ উন্নয়ন হ’ব লাগিব। আনৰ ওপৰত নিৰ্ভৰশীল হৈ থকা মানসিকতা আমি ত্যাগ কৰিব লাগিব।’ সংখ্যালঘু মানে

■ ১৪ পৃষ্ঠাত

কাৰ্বি ভূমিৰ নিৰ্বাচনক লৈ বিজেপিৰ তৎপৰতা

কাজিৰঙাত তুলিৰামক লৈ হিমন্তৰ বৈঠক

প্ৰতিদিন সেৱা, কাজিৰঙা, ২৭ মে’ ঃ উন্নয়নৰ নামত ব্যাপক লুণ্ঠন চলোৱা কাৰ্বি স্বায়ত্তশাসিত পৰিষদৰ বিতৰ্কিত সদস্য তুলিৰাম ৰংহাঙক লগত লৈ আজি পাৰ্বত্য জিলাখনৰ নিৰ্বাচনী ৰণকৌশল প্ৰস্তুত কৰে মন্ত্ৰী হিমন্তবিশ্ব শৰ্মাই। কাজিৰঙাৰ ‘বৰগছ’ ৰিজ’ৰ্টত অনুষ্ঠিত এই ৰুদ্ধদ্বাৰ বৈঠকত কেৱল তুলিৰামেই নহয়, বিতৰ্কিত ৰতন ইংতি, কাচ্ছে ৰংপিপিকে ধৰি পাৰ্বত্য জিলাখনৰ পৰা প্ৰতিদ্বন্দ্বিতা আগবঢ়োৱা বিজেপিৰ ১৭ গৰাকী প্ৰাৰ্থী উপস্থিত থাকে। উল্লেখ্য যে আজি দিনৰ ভাগত বোকাখাত ৰাজহুৱা খেলপথাৰত হেলিকপ্টাৰেৰে অৱতৰণ কৰা মন্ত্ৰী হিমন্তবিশ্ব শৰ্মা পোনে পোনে কাজিৰঙালৈ আহে। অসম পৰ্যটনৰ কাজিৰঙাস্থিত অতিথিশালাৰ বিধ্বস্ত অৱস্থা পৰিদৰ্শন কৰি মন্ত্ৰীগৰাকী উপস্থিত হয় ৰাষ্ট্ৰীয় উদ্যানৰ দাঁতিকাষৰীয়া মিহিমুখ এলেকাত স্থাপিত ‘বৰগছ’ ৰিজ’ৰ্টত। ইপিনে, পূৰ্বৰে পৰা বিজেপি বিধায়ক মৃণাল শইকীয়াৰ জ্যেষ্ঠ ভাতৃ ৰমেশ শইকীয়াৰ বিলাসী ৰিজ’ৰ্টত উপস্থিত আছিল কাৰ্বি স্বায়ত্তশাসিত পৰিষদীয়

■ ১৪ পৃষ্ঠাত

প্ৰাগজ্যোতিত দহগৰাকী প্ৰযোজক সম্বৰ্ধিত ঃ মুখ্যমন্ত্ৰীলৈ স্মাৰকপত্ৰ

পুলক গগৈক চলচ্চিত্ৰ প্ৰযোজক সন্থাৰ সম্বৰ্ধনা

প্ৰতিদিন সংবাদ, গুৱাহাটী, ২৭ মে’ ঃ ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত বিভিন্ন বঁটা লাভৰ জৰিয়তে সমগ্ৰ ৰাজ্যলৈ সন্মান কঢ়িয়াই অনা অসমৰ কেইবাগৰাকী চলচ্চিত্ৰ প্ৰযোজকক সন্মান জনাবলৈ গুৱাহাটীৰ মাছখোৱাস্থিত প্ৰাগজ্যোতি সাংস্কৃতিক প্ৰকল্পত আজি বিয়লি অনুষ্ঠিত হয় এক সম্বৰ্ধনা অনুষ্ঠান। ‘সদৌ অসম চলচ্চিত্ৰ প্ৰযোজক সন্থা’ চমুকৈ এ এ চি পি এৰ উদ্যোগত অনুষ্ঠিত হয় এই অনুষ্ঠান। গাম্ভীৰ্যপূৰ্ণ এই অনুষ্ঠানত বিশেষ সম্বৰ্ধনা জ্ঞাপন কৰা হয় বিশিষ্ট চলচ্চিত্ৰ পৰিচালক-চিত্ৰকৰ পুলক গগৈক। তেওঁক প্ৰদান কৰা হয় প্ৰশস্তিপত্ৰ, গামোচা, বিশেষ উপহাৰ আৰু ১০ হেজাৰ টকা। সম্বৰ্ধনা গ্ৰহণ কৰি আগবঢ়োৱা ভাষণ প্ৰসংগত চিনেমা পৰিচালক গগৈয়ে ছবি আঁকা আৰু ছবি নিৰ্মাণ কৰাটো তেওঁৰ নিচা হিচাপে ব্যক্ত কৰে। প্ৰথম অৱস্থাত তেওঁ নানা দৈন্যৰ মাজেৰে এই দুয়োটা নিচাকে কষ্টৰ মাজেৰে আগবঢ়াই নিয়াৰ কথা প্ৰকাশ কৰে। তেওঁ চলচ্চিত্ৰ প্ৰযোজনা আৰু বিতৰণৰ ক্ষেত্ৰত থকা কিছু গুৰুত্বপূৰ্ণ সমস্যাৰ কথা বিশেষভাৱে উল্লেখ কৰে। প্ৰসংগক্ৰমে তেওঁ প্ৰথম অৱস্থাত প্ৰয়াত ফণী শৰ্মাকে ধৰি বিভিন্ন লোকসকলে চিনেমা নিৰ্মাণৰ ক্ষেত্ৰত কৰা বিশেষ সহযোগৰ কথাও প্ৰকাশ কৰে। গগৈয়ে অসমত এশ-দুশ দৰ্শক বহিব পৰাকৈ ৰাজ্যৰ ভিন্ন প্ৰান্তত সৰু সৰু চিনেমা হল নিৰ্মাণৰ পোষকতা কৰে। এইক্ষেত্ৰত বিষয়টো তেওঁ ৰাজ্য চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰে। অনুষ্ঠানত উপস্থিত থাকি বিশিষ্ট গীতিকাৰ-লেখিকা পদ্মশ্ৰী এলি আহমেদে

■ ১৪ পৃষ্ঠাত